অধ্যায় ৪ ঃ উত্তৰ ৰামধেনু যুগৰ চুটিগল্পৰ ধাৰা

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ উত্তৰ ৰামধেনু যুগৰ পটভূমি আৰু অসমীয়া চুটিগল্প
৪.৪ উত্তৰ ৰামধেনু যুগৰ চুটিগল্প
৪.৫ উত্তৰ ৰামধেনু যুগৰ চুটিগল্পৰ ধাৰা
৪.৫.১ সমাজবাদী চিন্তা বা মাৰ্ক্সীয় চেতনাৰ প্ৰয়োগ
৪.৫.২ মনোঃবিশ্লেষণ বা চেতনাস্ৰোত পদ্ধতিৰ প্ৰকাশ
৪.৫.৩ ঐতিহ্য-সংস্কৃতি ৰক্ষাৰ প্ৰৱণতা
৪.৫.৪ এবছাৰ্ড দৰ্শনৰ প্ৰয়োগ
৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৭ অধিক জানিবলৈ
৪.৮ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৪.৯ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- উত্তৰ ৰামধেনু যুগৰ এটি পৰিচয়মূলক ধাৰণা লাভ কৰিব
- চুটিগল্পৰ ক্ৰমবিকাশৰ চতুৰ্থ স্তৰৰ আৰম্ভণি স্বৰূপ উত্তৰ ৰামধেনু যুগৰ চুটিগল্পৰ পটভূমি সম্পৰ্কে ধাৰণা লাভ কৰিব পাৰিব
- উত্তৰ-ৰামধেনু যুগৰ চুটিগল্পৰ লগতে এই সময়খিনিত গল্প ৰচনা কাৰ্যত ব্ৰতী হোৱা গল্পকাৰসকলৰ পৰিচয় লাভ কৰিব
- উত্তৰ ৰামধেনু যুগৰ চুটিগল্পৰ বিষয়— আঙ্গিক আৰু কলা-কৌশল সম্পৰ্কে সম্যক ধাৰণা লাভ কৰিব
- উত্তৰ ৰামধেনু যুগৰ গল্পকাৰসকলৰ ৰচনা-ৰীতি সম্বন্ধে আলোচনা কৰিব পাৰিব।

৪.২ পৰিচয়

এইটো চতুৰ্থ ষাণ্মাসিক প্ৰথম বুনিয়াদী পাঠ্যবিষয়ৰ চতুৰ্থ অধ্যায়। এই অধ্যায়টিত অসমীয়া চুটিগল্পৰ উত্তৰ ৰামধেনুৰ সময়ছোৱাৰ চুটিগল্প সম্পৰ্কে আলোচনা কৰা হৈছে। *ৰামধেনুৰে* অসমীয়া চুটিগল্প সাহিত্যৰ দিশলৈ আগবঢ়োৱা অবিস্মৰণীয় অৱদানৰ পৰৱৰ্তী সময়ছোৱাত গল্প-সাহিত্যৰ বিকাশ আৰু প্ৰসাৰ সম্পৰ্কে এই অধ্যায়ত আলোকপাত কৰা হৈছে। *ৰামধেনুৰে*

গঢ় দিয়া চুটিগল্প শীৰ্ষক সুমিষ্ট ফলটিত এই যুগটোৱে কি ধৰণে ন-ন ৰহণ সানিলে আৰু কেনে আয়তন তথা ৰূপ প্ৰদান কৰিলে সেই বিষয়ে বৰ্ণনা আগবঢ়োৱা হৈছে।

৪.৩ উত্তৰ ৰামধেনু যুগৰ পটভূমি আৰু অসমীয়া চুটিগল্প

ইতিমধ্যে আগৰ অধ্যায়ত উল্লেখ কৰি অহা হৈছে যে *ৰামধেনুৰ* পাছৰ পৰা অসমীয়া সাহিত্যত কোনো এখন যুগান্তকাৰী আলোচনীয়ে জন্ম লাভ কৰা যেন মনে নধৰে। 1963 চনত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই *ৰামধেনু* আলোচনীৰ সম্পাদকৰ দায়িত্বৰ পৰা অব্যাহতি লোৱাৰ ফলস্বৰূপে কাকতখনৰ প্ৰকাশ অনিয়মিত হয়। ইয়াৰ পাছত 1967 চনত আলোচনীখনৰ স্বত্ত্বাধিকাৰী ইন্দ্ৰকমল বেজবৰুৱাৰ এপ্ৰিল মাহত বিয়োগ ঘটাত আলোচনীখনৰ প্ৰকাশ বন্ধ হয়। এই আলোচনীৰ প্ৰকাশ বন্ধ হোৱাৰ সমান্তৰালভাৱে ৰামধেনু যুগৰো অৱসান ঘটে। উল্লেখ্য যে, সমসাময়িকভাৱে প্ৰকাশৰ মুখ দেখি থকা *সাদিনীয় নৱযুগ, মণিদীপ, আমাৰ প্ৰতিনিধি, প্ৰান্তিক, অসম বাতৰি*আদিয়ে ভাষা-সাহিত্যৰ দিশলৈ সাময়িকভাৱে অৱিহণা আগবঢ়াই আছিল। অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক আদি দিশবোৰ প্ৰতিফলন এই সময়ত ৰচিত গল্প-সাহিত্যই বহন কৰিছিল।ফলস্বৰূপে *ৰামধেনুৰ* স্তব্ধতাত মূৰ দাঙি উঠা অন্যান্য পত্ৰিকাত প্ৰতিফলিত সাহিত্যৰ পথাৰখনত এক নতুনত্বৰ সূচনা কৰিলে। সেয়েহে ৰামধেনুৰ পৰৱৰ্তী তিনিটা দশকক বিশেষ নামেৰে নামকৰণ কৰাৰ বিপৰীতে পণ্ডিত-সমালোচকসকলে উত্তৰ ৰামধেনু যুগ বুলি অভিহিত কৰিলে। *ৰামধেনুৰ* প্ৰকাশ অনিয়মীয়া হোৱা কালছোৱা অৰ্থাৎ 1960ৰ পৰা 1980-90 মানলৈকে এই সময়খিনিক উত্তৰ ৰামধেনু যুগৰ মাজত সামৰিবলৈ প্ৰয়াস কৰে।

বিংশ শতিকাৰ শেষৰ দশক তিনিটাত অসমৰ জাতীয় জীৱনলৈ সঙ্কট আৰু অস্থিৰতা নামি আহে। এই সঙ্কট যুদ্ধ-বিগ্ৰহ বা আন কোনো প্ৰাকৃতিক পৰিঘটনাৰ বাবে ঘটা অস্থিৰতায়ো নহয়। ইয়াৰ মূলতে আছে স্বাধীনোত্তৰ ভাৰতবৰ্ষৰ লগতে অসমৰ সমাজ জীৱনত দেখা দিয়া কেতবোৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক কাৰণ। 1971 চনত বাংলাদেশৰ মুক্তি সংগ্ৰামত ভাৰতৰ ৰাজনৈতিক নেতাসকলৰ কেতবোৰ অদূৰদৰ্শিতাৰ ফল ভোগী অসমীয়া জনসমাজখনো সাঙোৰ খাই পৰে।ফলত অসমখন বাংলাদেশী ভগনীয়াসকলৰ নিৰাপদ বিচৰণস্থলীলৈ ৰূপান্তৰিত হয়। ইয়াৰ উপৰি আন্দোলনৰ পৰৱৰ্তী সময়ছোৱাত সশস্ত্ৰ সংগঠনে জন্ম লাভ কৰি অসমৰ জাতীয় জীৱনলৈ এক নতুন বিপদ মাতি আনে। নক্সালাইট আন্দোলনৰ প্ৰভাৱৰ সমান্তৰালকৈ অসমৰ জাতীয় চেতনাৰ উদ্‌গীৰণো অশান্তিৰ আহিলা স্বৰূপ হৈ পৰে। এই সময়ছোৱাত ৰাজনীতিৰ ব্যক্তিকেন্দ্ৰিক ভণ্ড তথা ভোগবাদী আৰু পুঁজিপতিসকলৰ ভ্ৰষ্টাচাৰ, 1975 চনৰ জুন মাহতঘোষিত জৰুৰীকালীন অৱস্থা আদিয়ে অসমৰ জাতীয় জীৱন অস্থিৰ তথা সঙ্কটজনক কৰি তোলে। সামাজিক অৱনতি তথা ৰাজনৈতিক অৱক্ষয়ৰ চিত্ৰখনে বুদ্ধিজীৱী তথা সাহিত্যিকসকলক হতাশ কৰি তোলে। ৰাজনৈতিক অস্থিৰতাৰ পৰিণতিত অসমৰ অৰ্থনৈতিক ভেঁটিটোও থৰক্-বৰক্ হৈ পৰে। অসমত বাঢ়ি অহা দেশী-বিদেশী পুঁজিপতিৰ প্ৰভুত্বই সমাজত ব্যক্তিকেন্দ্ৰিক ভোগবাদৰ প্ৰৱণতা গঢ় দিছে। ফলস্বৰূপে সমাজৰ এচাম মানুহ হঠাৎ যথেষ্ট ধনী হৈ উঠাৰ বিপৰীতে আন

এচামৰ জীৱনলৈ দৰিদ্রতাই অমানিশা মাতি আনে। মুঠতে এচাম মানুহে ভোগবাদৰ কবলত নিজৰ চিন্তা-চেতনা, মূল্যবোধৰ জলাঞ্জলি দিবলৈয়ো সঙ্কোচবোধ নকৰা হ'ল। ফলত সমাজৰ অর্থনৈতিক দিশতো অধিক শোচনীয় হৈ পৰে। দেশৰ ৰাজনৈতিক, অর্থনৈতিক দুৰৱস্থাই সমকালীন লেখক-সাহিত্যিকসকলক হতাশগ্রস্ত কৰাৰ লগতে যথেষ্ট দুঃখিত কৰিছিল। এনে অৱস্থাৰ সাক্ষী স্বৰূপ বহুতো লেখকৰ কলম হতাশাগ্রস্ততাৰ আধাৰত থমক ৰয়। আনহাতে, ন-পুৰণি বহু সাহিত্যিকে সমাজৰ ভোগবাদী, ক্ষমতালোভী চৰিত্রৰ মানসিক অৱস্থাৰ আধাৰত সমাজখনক ভেঁটি ৰূপে লৈ সাহিত্য ৰচনাত ব্রতী হয়। মুঠতে 1970 চনৰ পৰৱর্তী কালছোৱাৰ অসমীয়া চুটিগল্পত দেশৰ ৰাজনৈতিক চিত্রৰ লগতে অর্থনৈতিক দুৰৱস্থা, বিভিন্ন শোষক শ্রেণীৰ প্রতিনিধিৰ চিত্রৰ সমান্তৰালকৈ জনতাৰ শোষণ মুক্তিৰ প্রচেষ্টা তথা প্রতিবাদৰ ধ্বনি সম্বলিত চিত্রণ দেখিবলৈ পোৱা যায়। এই সময়ৰ লেখকসকলক সমকালীন সমাজ তথা জাতীয় জীৱনৰ দুখ-যন্ত্রণাই যথেষ্ট অৰিহণা আগবঢ়াইছে। ড° প্রহ্লাদ কুমাৰ বৰুৱাই কৈছে— "অসমৰ বাবে কিন্তু বিংশ শতিকাৰ শেহৰ দখক তিনিটাহে 'হতাশাগ্রস্ত দশক' হিচাপে গণ্য হ'বৰ যোগ্য। সম্প্রতি কেউফালে সংশয় আৰু অবিশ্বাস, ঘৃণা আৰু অনিশ্চয়তাই সচেতন মহলক চিন্তাক্লিষ্ট কৰি তুলিছে।" অস্থিৰতা আৰু অৰাজকতাই বিধ্বস্ত কৰা সমাজখনৰ চিত্র *ৰামধেনুৰ* পৰৱর্তী অর্থাৎ উত্তৰ ৰামধেনু যুগৰ সাহিত্যত তথা চুটিগল্পত প্রতিফলিত হোৱা পৰিলক্ষিত হয়। প্রকৃতার্থত যুদ্ধ-বিগ্রহ আদিয়ে ৰাজনৈতিক, অর্থনৈতিক দিশত ক্ষতিসাধন কৰা নাই যদিও কেতবোৰ দেশীয় নেতাৰ ৰাজনৈতিক ক্ষেত্রখনৰ সৈতে জড়িত অদূৰদর্শিতাপূর্ণ সিদ্ধান্তৰ বাবে অসমৰ ৰাজনৈতিক ক্ষেত্রখনৰ যথেষ্ট ক্ষতিসাধন হোৱাৰ লগতে অসমৰ অর্থনৈতিক ভেঁটিত ভোগবাদী লোভী চৰিত্রৰ বাবে সংঘটিত অৱনতি আৰু উগ্রবাদী সংগঠনৰ জন্ম আদিবোৰ কাৰকে উত্তৰ-ৰামধেনু যুগৰ পটভূমি নির্মাণত অৰিহণা যোগাইছে।

৪.৪ উত্তৰ ৰামধেনু যুগৰ চুটিগল্প

দেশ তথা সমাজত অঙ্কুৰিত হোৱা বিভিন্ন সমস্যা আৰু সমস্যাকেন্দ্রিক সমাজখনে গঢ় দিয়া মানসিকতাৰ ফলস্বৰূপে সাম্প্রতিক যুগৰ সাহিত্যিকসকলৰ লেখনিৰ গতি-প্রকৃতি পূর্বৰ তুলনাত পৰিৱর্তন হোৱা পৰিলক্ষিত হয়। *ৰামধেনুৰ* পৰৱর্তী কালত অর্থাৎ কুৰি শতিকাৰ শেষৰ দশক তিনিটাত চুটিগল্প ৰচনাত বিশেষ অৰিহণা যোগাইছে ভাৰতীয় ৰাজনীতিৰ ব্যক্তিকেন্দ্রিক ভোগবাদৰ চৰিত্রই। তদুপৰি অসমৰ অর্থনৈতিক অৱক্ষয়, নৈতিক মূল্যবোধৰ অৱনতি, সাংস্কৃতিক ভাবুকি, বিদেশী প্রব্রজন আৰু অস্তিত্বৰ সুৰক্ষার্থে প্রতিবাদী আন্দোলন আদিয়ে ৰামধেনুৰ পৰৱর্তী তিনিটা দশকক হতাশাগ্রস্ত কৰি তুলিছিল। ফলস্বৰূপে 1970ৰ পৰা 1980–90লৈকে ৰচিত অসমীয়া চুটিগল্পত দেশৰ বিভিন্ন শ্রেণীৰ শোষকৰ চৰিত্র চিত্রণ, দেশৰ অর্থনীতিৰ শোচনীয় অৱস্থা আৰু জনসাধাৰণৰ শোষণ বিৰোধী মুক্তি আকাংক্ষীত প্রতিবাদী কার্যৰ চিত্রণ দৃষ্টিগোচৰ হয়। বসন্ত কুমাৰ ভট্টাচার্যৰ ভাষাত "সপ্তম দশকৰ শেষ ভাগৰ পৰা অষ্টম দশকলৈকে, অর্থনৈতিক সঙ্কট, দুর্নীতি, দুর্নীতিৰ বিস্তৃতি, নৈতিক অধঃপতন, মধ্যবিত্ত শ্রেণীৰ সস্তীয়া আধুনিকতাৰ প্রতি আকর্ষণ, বস্তুৰ চ'ৰা দাম, ৰাজনৈতিক নেতাৰ চতুৰালি, শাসক দলৰ দমননীতি, নিবনুৱা সমস্যা,

খাদ্যাভাব আদি এশ এবুৰি কাৰণত সমাজ জীৱন ভয়ঙ্কৰ অস্থিৰতা আৰু জটিলতাৰ সন্মুখীন হ'ল। সাধাৰণ শ্ৰেণীৰ লোকৰ জীৱন হৈ পৰিল দুৰ্বহ। এনে পৰিস্থিতিত তৰুণ গল্পকাৰসকল ক্ষুব্ধ আৰু ক্ৰোধান্বিত হ'ল। তেওঁলোকৰ সমাজ-চেতনাৰ লগতে ৰাজনৈতিক চেতনাও তীব্ৰতৰ হ'ল আৰু বাস্তৱমুখী দৃষ্টিভঙ্গী গ্ৰহণ কৰি তেওঁলোকে গল্প ৰচনাত আত্মনিয়োজন কৰিলে। ফলস্বৰূপে একাংশ তৰুণৰ গল্পত প্ৰতিবাদ আৰু প্ৰতিৰোধৰ সুৰ প্ৰবলভাবে ধ্বনিত নোহোৱাকৈ নাথাকিল।"

এই যুগত দুই শ্ৰেণীৰ গল্পকাৰে নিজ নিজ কলা-কৌশলৰে পাৰিপাৰ্শ্বিক পৰিৱেশ-পৰিস্থিতি বৰ্ণনা কৰি গল্প ৰচনাত প্ৰবৃত্ত হয়। তাৰে এচামে 'ৰামধেনু যুগ'ৰ পৰা উত্তৰ ৰামধেনুলৈকে গল্প ৰচনা কৰি আহিছে আৰু আনচামে উত্তৰ ৰামধেনু কালতে গল্প ৰচনা কৰিবলৈ লৈছে। এই সময়ত পৰম্পৰাগত আৰু আধুনিক দুইধৰণেৰে চুটিগল্প ৰচনা কৰা দেখিবলৈ পোৱা যায়। *আমাৰ প্ৰতিনিধি, নৱযুগ, প্ৰকাশ, নতুন পদাতিক, নতুন পৃথিৱী, প্ৰান্তিক, প্ৰকাশ, সূত্ৰধাৰ, অসমীয়া, বিস্ময়, ৰহস্য, গৰীয়সী,* বিভিন্ন বাতৰিকাকতৰ সাহিত্যৰ শিতানৰ লগতে দেওবৰীয়া সাহিত্য-সংস্কৃতি বিষয়ৰ পৰিপূৰিকা বিশেষ, বিহু-পূজা আৰু নৱবৰ্ষ আদিত প্ৰকাশ হোৱা বিশেষ সংখ্যাৰ আলোচনীসমূহত প্ৰকাশ পোৱা গল্পৰ মাজত এই যুগৰ অসমীয়া গল্প-সাহিত্যৰ প্ৰকৃত ৰূপটো জিলিকি উঠা দেখিবলৈ পাওঁ।

এই যুগৰ গল্পবোৰৰ বিষয়বস্তুৰ নিৰ্দিষ্টতাহীন অৰ্থাৎ অগতানুগতিক বিষয়বস্তুৰ প্ৰয়োগেৰে কাহিনীবোৰ বিক্ষিপ্ত হৈ পৰিল।গল্পবোৰ বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে বিজ্ঞানৰ বিষয়বস্তুৰে ৰচিত হ'বলৈ ধৰিলে। কলা-কৌশলগত দিশৰ পৰা এই সময়ৰ গল্পবোৰৰ ভাববস্তু অভিনৱ হোৱাৰ লগতে বিক্ষিপ্ত চেতনা সমৃদ্ধ হোৱা পৰিলক্ষিত হয়। এই যুগৰ গল্পবোৰৰ এক বৈশিষ্ট্য হ'ল বুদ্ধিনিষ্ঠতা। গল্পকাৰসকলে সামাজিক তথা ৰাজনৈতিক অস্থিৰতা, অৰ্থনৈতিক সঙ্কটৰ তীব্ৰতা, নৈতিক অৱক্ষয়ৰ ছবি নতুন কথনভঙ্গীৰে উপস্থাপন কৰিছে। ক্ৰমান্বয়ে পুঁজিবাদে ভাৰতীয় সমাজ ব্যৱস্থাতো ৰঘুমলাৰ দৰে শিপাবলৈ আৰম্ভ কৰিছে,যাৰ ফলত নতুন প্ৰজন্মৰ একাংশক অৱসাদগ্ৰস্ততাই হ্ৰাস কৰি অনাৰ চিত্ৰণ এই সময়ৰচুটিগল্পত প্ৰকাশি উঠিছে।পাশ্চাত্য সংস্কৃতিৰ প্ৰতি অত্যধিক আকৰ্ষণে দেশীয় সংস্কৃতিৰ প্ৰতি মাতি অহাৰ ভাবুকিয়ে বহুক্ষেত্ৰত সমাজখনত সৃষ্টি কৰা বিশৃঙ্খলতাৰ চিত্ৰণ প্ৰতিফলিত হৈছে। হতাশা, নিঃসঙ্গতা আৰু সমাজবাদী চেতনাৰ প্ৰকাশ এই সময়ৰ গল্পত চিত্ৰিত হোৱা পৰিলক্ষিত হয়। ইংৰাজী শিক্ষাৰ প্ৰসাৰে মাতৃভাষা অসমীয়াৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰাত চিন্তিত হোৱা গল্পকাৰসকলৰ ৰচনাত মাতৃভাষাৰ প্ৰতি শ্ৰদ্ধাশীলতা প্ৰকাশ পাইছে। ইয়াৰ উপৰি কোনোজন গল্পকাৰৰ দৃষ্টিভঙ্গী মাৰ্ক্সীয় দৰ্শনেৰে সমৃদ্ধ হোৱাৰ লগতে মানুহৰ মনোজগতখনকো তেওঁলোকে সমানে নিৰীক্ষণ কৰিছে। গল্পবোৰত মানৱতাবাদী আদৰ্শ আৰু প্ৰগতিবাদী চিন্তা সৰল ভাষা আৰু প্ৰতীকী ব্যঞ্জনাৰে সুন্দৰ ৰূপত উপস্থাপন কৰিছে। সমাজ বাস্তৱতাৰ সূক্ষ্ম নিৰীক্ষণৰ প্ৰয়াসো গল্পবোৰৰ মাজত দেখিবলৈ পোৱা যায়। ৰোমাণ্টিক, বাস্তৱবাদী, নাৰী মনঃস্তত্ত্ব, লোক-সংস্কৃতিৰ লগতে বিজ্ঞানৰ জগতখনৰ পৰা বিভিন্ন বিষয় আহৰণ কৰি সাম্প্ৰতিক যুগৰ কথাশিল্প ৰচনা কৰা হৈছে। তদুপৰি এই সময়ৰ গল্পত প্ৰতীক, চিত্ৰকল্প আৰু বিভিন্ন মতবাদৰ প্ৰয়োগ ঘটা পৰিলক্ষিত হয়।

ৰামধেনু যুগতে গল্প ৰচনাত ব্ৰতী হোৱা গল্পকাৰ শীলভদ্ৰ কিন্তু উত্তৰ ৰামধেনুৰ এগৰাকী

জ্যেষ্ঠ গল্পকাৰ। ৰামধেনু যুগত আত্মপ্রকাশ কৰা শীলভদ্রৰ কিন্তু কোনো গল্পই *ৰামধেনু* কাকতত প্রকাশ হোৱা নাছিল। 1964 চনত চন্দ্রপ্রসাদ শইকীয়াৰ সম্পাদনাত প্রকাশিত *অসম বাতৰিত* 'অভিযোগ' শীর্ষক গল্পটো প্রথম প্রকাশিত গল্প। তেখেতে *বাস্তৱ* [1975], *সমুদ্র তীৰ* [1978], *বীৰ সৈনিক* [1979], *আকৌ মধুপুৰ* [1991] আদি বহুকেইখন গল্প সঙ্কলন ৰচনাৰে অবিৰতভাৱে কথা-সাহিত্য ৰচনাত আত্মনিয়োগ কৰে। নানান অভিজ্ঞতাৰ ৰহণেৰে গঢ় দিয়া কাহিনীসমূহত সমকালীন সমাজৰ শোষণ, শাসন, ভণ্ড চৰিত্রৰ লগতে সমাজৰ শোষিত, নিষ্পেষিত আদি সকলো শ্রেণীৰ মানুহৰ জীৱন প্রতিফলিত হৈছে। ব্যঙ্গ ৰস সংযোগৰ সহায়ত সাহিত্যিকগৰাকীয়ে সমাজৰ ভাল-বেয়া দিশবোৰ অধিক স্পষ্ট আৰু বাস্তৱসম্মত ৰূপত গল্পৰ মাজত তুলি ধৰিছে। এইগৰাকী লেখকৰ গোৱালপৰীয়া কথিত জঁতুৱা ভাষাৰ সমাহাৰে সৃষ্টি কৰা গল্পবোৰত চৰিত্র, বিষয় আৰু পৰিৱেশ জীৱন্ত ৰূপত উদ্ভাসিত হৈছে।

প্রতিপদৰ জোন শীর্ষক গল্প সঙ্কলনখনৰ যোগেদি অৰুণ গোস্বামীয়ে গল্পকাৰ ৰূপে আত্মপ্রকাশ কৰে। তেওঁৰ দ্বাৰা ৰচিত গল্পবোৰৰ মাজত স্বাধীনতাৰ পাছৰ সমাজখনক গ্রাস কৰিবলৈ ধৰা সামাজিক, ৰাজনৈতিক, অর্থনৈতিক পৰিস্থিতিৰ লগতে শোষণ, ভণ্ডামি, স্বার্থান্বেষী এচামৰ স্বার্থপৰতাৰ চিত্র ফুটি উঠিছে। মার্ক্সীয় প্রভাৱেৰে পুষ্ট গল্পকাৰগৰাকীৰ সৃষ্টিত বর্ণনীয় বিষয় সম্পর্কে পোনপটীয়া বক্তব্য বিদ্যমান। নিবনুৱা সমস্যা, অশুভ চৰিত্র, ক্ষয়িষ্ণু মানসিকতা আৰু ক্ষোভ তথা ঘৃণা তেওঁ ৰচনাত চিত্রিত কৰিছে।

উত্তৰ ৰামধেনু যুগৰ গল্পকাৰ বিপুল খাটনিয়াৰৰ পাঁচখন গল্প সঙ্কলনত সঙ্কলিত গল্পবোৰৰ মাজত ধনীক শ্রেণীয়ে কৰা শোষণৰ কদর্যময় চিত্র, শাসন-শোষকৰ সম্পর্ক, দুখীয়াৰ প্রতি সহানুভূতি, আধুনিক সভ্যতাই সৃষ্টি কৰা বিভিন্ন সমস্যাৰ বর্ণনা পোৱা যায়। অধিকাৰৰ প্রতি সচেতন আৰু সাহসী চৰিত্র চিত্রণেৰে গঢ় দিয়া কাহিনীৰ মাজত গল্পকাৰৰ প্রতিবাদী বক্তব্য শুনিবলৈ পোৱা যায়।

মৌলিক ৰচনা-ৰীতি আৰু প্রকাশভঙ্গীৰে গঢ় দিয়া দেৱব্রত দাসৰ গল্পসমূহত সমকাল চেতনা, জীৱনৰ দার্শনিক সত্যৰ বিশ্লেষণ আৰু সমাজৰ বিভিন্ন সমস্যাৰ উপস্থাপন লক্ষ্য কৰা যায়। বিক্ষিপ্ত ভাৱনাৰে সমৃদ্ধ দাসৰ গল্পত ভাববস্তুৰ ঐক্য, সুন্দৰ পৰিস্থিতি চিত্রণৰ লগতে প্রাঞ্জল ভাষাৰ সংযোগে সৃষ্টি সম্ভাৰ সুখপাঠ্য কৰি তুলিছে।

দেওপাহাৰৰ ভগ্নস্তূপ, পাছ চোতালৰ কথকতা, সোণালী ঈগলে কণী পাৰিলে, বেলিয়ে উমনি দিলে, আলেকজান বানুৰ জান আদি গল্প সঙ্কলন ৰচনা কৰা খ্যাতিসম্পন্ন গল্পকাৰ অৰূপা পটঙ্গীয়া কলিতাৰ বেছিভাগ গল্পতে দুখীয়া শ্রেণীৰ সমস্যা, জাতিভেদ প্রথা, পুৰুষপ্রধান সমাজখনে নাৰীৰ প্রতি কৰা দুর্ব্যৱহাৰ, শোষিতসকলৰ দুখৱহ জীৱনৰ চিত্র প্রকাশি উঠিছে। ইঙ্গিতময় ভাষা আৰু চিত্রকল্প প্রয়োগেৰে ৰচনা কৰা গল্পসমূহত আশাবাদ, সমাজবাদী দৃষ্টিভঙ্গী, নাৰীবাদ, সাম্প্রদায়িকতাবাদ আৰু সপোনৰ প্রতি আকর্ষণৰ লগতে মৰুভূমি আৰু প্রকৃতিৰ অনন্য ৰূপ-লাৱণ্য সুন্দৰকৈ প্রকাশ পাইছে।

অন্তর্মুখী দৃষ্টিভঙ্গীৰে গল্প ৰচনা কৰা ফুল গোস্বামীৰ ৰচনাত মানুহৰ মনোজগতৰ বিশ্লেষণৰ

প্ৰয়াস পৰিলক্ষিত হয়।তদুপৰি তেওঁৰ গল্পত পৰিৱৰ্তিত মানসিকতা আৰু যৌন প্ৰবৃত্তিৰ ব্যাখ্যাও পোৱা যায়। কলা-কৌশল আৰু কাব্যিক, ব্যঞ্জনাধৰ্মী ভাষাৰ সুপ্ৰয়োগে গোস্বামীৰ নিৰ্মিতিক মনোৰম আয়তন প্ৰদান কৰিছে।

পৃথিৱীৰ যিকোনো স্থানৰ আধুনিক জীৱনৰ চিত্ৰ অঙ্কিত হোৱা মনোজ কুমাৰ গোস্বামীৰ গল্পবোৰত মধ্যবিত্তৰ মানসিক অৱস্থা নিবিড়ভাৱে উপস্থাপন কৰাৰ লগতে নগৰীয়া মধ্যবিত্ত সমাজখনৰ চিত্ৰ অঙ্কিত হৈছে। নগৰীয়া যন্ত্ৰণা, নিঃসঙ্গতা, আন্তঃবিৰোধ, পৰিৱৰ্তিত মূল্যবোধ, নিবনুৱা সমস্যা, ৰাজনৈতিক সমস্যা আৰু সন্ত্ৰাসবাদী সমস্যাৰে পৰিপূৰ্ণ সমাজ জীৱনক বিষয় ৰূপে লৈ চেতনাস্ৰোত পদ্ধতিৰ সহায়েৰে মানৱ জীৱনৰ খণ্ডিত চিত্ৰ কাহিনীত উপস্থাপন কৰিছে। ভাষাৰ গাঁথনিক দিশ, আঙ্গিকৰ সুপ্ৰয়োগ আৰু বৰ্ণনাশৈলীৰ সংযমতাৰ বাবে গল্পবোৰে সুন্দৰ ৰূপ লাভ কৰিছে।

চেতনাস্ৰোত ৰীতিৰ সফল প্ৰয়োগেৰে কুল শইকীয়াই ৰচনা কৰা গল্পত জীৱনৰ দ্বন্দ্ব আৰু সংঘাতেই চৰিত্ৰবোৰ গঢ়ি তুলিছে। শইকীয়াৰ ৰচনাত 'কৰ্প'ৰেট ৱৰ্ল্ড' আৰু কল্পবিজ্ঞান জগতৰ চিত্ৰণো চকুত পৰে। নিঃসঙ্গতা, বিচ্ছিন্নতা, সংঘাত, প্ৰেম, যন্ত্ৰণা, বিক্ষিপ্ততাই গল্পৰ ঘটনাংশ আৱৰি ৰাখিছে। শইকীয়াৰ গল্পবোৰ শব্দ চয়ন, চৰিত্ৰ সৃষ্টি, বৰ্ণনা শৈলী আৰু আঙ্গিকগত দিশৰ সুসমন্বয়ৰে ৰচিত।

চিত্ৰধৰ্মী ভাষাৰ যোগেদি মৌচুমী কন্দলিয়ে ৰচনা কৰা গল্পবোৰত আধুনিক জীৱনৰ সংঘাত, প্ৰেম-ঘৃণা, নিঃসঙ্গতা, আত্মীয়তা, যৌনতা, সৌন্দৰ্যপ্ৰীতি, অন্তৰ্দ্বন্দ্ব, যান্ত্ৰিক সভ্যতাই বোৱাই অনা পৰিৱৰ্তন আৰু বেদনা, পাশ্চাত্য সভ্যতা-সংস্কৃতিৰ কবলত পৰি দিশহাৰা হোৱা নৱ-প্ৰজন্মৰ মানসিক অৱস্থা আৰু পুৰুষতান্ত্ৰিক সমাজখনৰ চিত্ৰ বাস্তৱসম্মত ৰূপত তুলি ধৰিছে।

অপূৰ্ব কুমাৰ শইকীয়াৰ গল্প সঙ্কলন তিনিখন হ'ল— *ব্যৰ্থ নায়ক, বিষয় ঃ প্ৰেমৰ সংবিধান* আৰু *মাটিৰ আখৰা*। নগৰীয়া চেতনা প্ৰকাশ কৰি ৰচনা কৰা শইকীয়াৰ গল্পবোৰত গাঁৱলীয়া জীৱনকো গল্পকাৰে প্ৰায় সমানেই গুৰুত্ব প্ৰদান কৰিছে। নিঃসঙ্গতা, প্ৰেম, যৌনতা, দুখীয়া মানুহৰ যাতনা, সমাজ আৰু ব্যক্তি সংঘাতৰ লগতে ৰাজনৈতিক আৰু সামাজিক অৱক্ষয়ৰ নিৰ্মোহ বিশ্লেষণ ৰচনাৰ মাজত উপলব্ধ।

অৰূপ কুমাৰ নাথৰ বৰ্তমানলৈকে প্ৰকাশিত গল্প সঙ্কলন হৈছে— *নষ্ট এপিটাফ* আৰু *সাউদ আৰু অন্যান্য গল্প*। সামাজিক শোষণ, সামাজিক বৈষম্য, লিংগ বৈষম্যৰ প্ৰতি সচেতনতা, অন্ধবিশ্বাস, লোকাচাৰ আদি সমাজৰ বিভিন্ন দিশসমূহ এইগৰাকী কাহিনী কথকে সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰি গল্পত উপস্থাপন কৰিছে। তেওঁৰ ৰচনাত দাৰিদ্ৰ্য, উদ�ৰৰ ক্ষুধাৰ বৰ্ণনাৰ সমান্তৰালভাৱে হাঁহি-আনন্দৰ বৰ্ণনাও বৰ্ণিত হৈছে। কথাশিল্পীজনাৰ প্ৰতীকাত্মক, মান্য আৰু উপভাষা প্ৰয়োগৰ দক্ষতাই সৃষ্টিৰাজিক এক অনন্য মাত্ৰা প্ৰদান কৰিছে।

ৰামধেনুত আত্মপ্ৰকাশ কৰি খ্যাতি অৰ্জন কৰা গল্পকাৰসকলৰ উপৰিও এই যুগত অন্য কেইবাগৰাকীও নতুন কাহিনীকাৰে আত্মপ্ৰকাশ কৰে। এই সময়ত জনপ্ৰিয় হোৱা গল্পকাৰসকলৰ মাজত পদ্ম বৰকটকী, নিৰোদ চৌধুৰী, অতুলানন্দ গোস্বামী, হেমন্ত কুমাৰ শৰ্মা, ক্ষীৰোদ শইকীয়া,

অনিল শইকীয়া, অপূর্ব শর্মা, প্রশান্ত কুমাৰ দাস, বন্তি শেনচোৱা, হেমেন গগৈ, দুর্গেশ্বৰ শর্মা, হৰেকৃষ্ণ ডেকা, পূৰবী বৰমুদৈ, ফণীন্দ্র কুমাৰ দেৱচৌধুৰী, তপন দাস, জেহিৰুল হুছেইন, কৈলাশ শর্মা, য়েছে দৰজে ঠংচি আদিৰ লগতে বিংশ শতিকাৰ শেষৰ দশকৰ গল্পকাৰ পৰাগ কুমাৰ ভট্টাচার্য্য, প্রফুল্ল চন্দ্র বৰা, বন্দিতা ফুকন, ভূপেন্দ্র নাৰায়ণ ভট্টাচার্য্য, মদন শর্মা, ৰূপশ্রী গোস্বামী, হিৰণ্য কাশ্যপ, মাইনী মহন্ত, অনুৰাধা শর্মা পূজাৰী, মণিকুন্তলা ভট্টাচার্য আদিৰ নাম উল্লেখযোগ্য।

৪.৫ উত্তৰ ৰামধেনু যুগৰ চুটিগল্পৰ ধাৰা

স্বাধীনোত্তৰ যুগত ৰাজনৈতিক, সামাজিক আৰু অর্থনৈতিক অস্থিৰতা আৰু অৱক্ষয়ে সমাজ তথা জাতীয় জীৱনলৈ সঙ্কট মাতি আনিলে। ইয়াৰ দ্বাৰা অসমীয়া সাহিত্যয়ো প্রভাৱান্বিত নোহোৱাকৈ নাথাকিল। সমাজ জীৱনৰ শোচনীয় অৱস্থাই গল্পকাৰসকলৰ মন-মগজত প্রতিক্রিয়া কৰিবলৈ ধৰিলে। ফলস্বৰূপে সামাজিক দায়বদ্ধ গল্পকাৰসকলৰ চিন্তাধাৰাৰ পৰিৱর্তন ঘটিল। 1970ৰ পৰৱর্তী কালৰ চুটিগল্পৰ ভাব, বিষয়বস্তু, ৰূপ-বিন্যাস আৰু কলা-কৌশলগত দিশত নতুনত্বৰ সূচনা হয়। সমাজ, অর্থনীতি, সংস্কৃতি আৰু ৰাজনীতিৰ অৱক্ষয়ৰ চিত্র উপস্থাপন কৰি ৰচনা কৰা গল্পত মার্ক্সীয় চেতনাৰ পৰিপক্ক ৰূপ প্রয়োগ হয়। শোষণ মুক্তিৰ আপাহত প্রতিবাদী চেতনাৰ উন্মেষ ঘটে। অস্থিৰতাই গ্রাস কৰা মানুহৰ মনোজগত বিশ্লেষণ গল্পৰ মাজত উপলব্ধ। পুঁজিবাদ আৰু পাশ্চাত্য সংস্কৃতিয়ে শিপাবলৈ ধৰা সমাজখনৰ পৰা এই ধৰণৰ বিনাশকাৰী কাৰকবোৰক সমূলি আঁতৰাই ঐতিহ্য-সংস্কৃতি ৰক্ষাৰ প্রৱণতা গল্পবোৰৰ মাজত প্রকাশ পাইছে। কেতবোৰ গল্পকাৰৰ ৰচনাত উদ্ভুট চেতনাৰ প্রকাশ পৰিলক্ষিত হয়। তদুপৰি এই সময়ৰ গল্পকাৰসকলৰ ৰচনাত পৰম্পৰাৰ বিপৰীতে টো তুলি উটি যোৱাৰ প্রৱণতা দেখা গৈছে।

৪.৫.১ সমাজবাদী চিন্তা বা মার্ক্সীয় চেতনাৰ প্রয়োগ

ৰামধেনু যুগৰ ভেঁটিত গঢ়ি উঠা উত্তৰ-ৰামধেনু যুগৰ চুটিগল্পত নৈতিক প্রমূল্যৰ বান্ধ ছিণ্ডি সমস্যাবহুল বাস্তৱৰ মুখামুখি হৈ নকৈ মানৱীয় সত্তাৰ বিশ্লেষণ কৰিবলৈ প্রয়াস কৰিছে। যিহেতু সামাজিক, ৰাজনৈতিক, অর্থনৈতিক অৱক্ষয়ৰ ভেঁটিতে উত্তৰ ৰামধেনুৰ সাহিত্য ৰচনা হৈছে। গতিকে এই সময়ৰ অৱক্ষয়ৰূপী সমাজখনৰ শোচনীয় চিত্রখন নিখুঁত ৰূপত সাহিত্যৰ মাজত জিলিকি উঠিছে। পুঁজিবাদী সমাজ ব্যৱস্থাই গ্রাস কৰিবলৈ ধৰা সমাজখনত এচামে হঠাৎ ধনী হৈ যোৱাৰ বিপৰীতে আন এচামৰ অৱস্থা অতি দুখৱহ হৈ পৰিছে। ফলত মানুহৰ মন হতাশা আৰু অস্তিত্বৰ চিন্তাত অস্থিৰ হৈ উঠিছে। এই ধৰণৰ চিন্তাই গল্পকাৰসকলৰ হৃদয়ত খুন্দা মাৰিছে। তেওঁলোকে দুখ, ক্ষোভ আৰু সংস্কাৰৰ অর্থে সাহিত্যৰ আশ্রয় লয়। পৰিণতি স্বৰূপে গল্পসমূহত নেতিবাচক চিন্তা, ব্যর্থতা আৰু হতাশগ্রস্ততাৰ উন্মেষ ঘটে।

পুঁজিপতি হোৱাৰ দুর্বাহ হেঁপাহে মানুহক প্রাপ্যটো জোৰ কৰি অথবা আঁজুৰি লোৱাৰ প্রৱণতা সৃষ্টি কৰাত অসমীয়া জাতীয় জীৱনত উগ্রবাদী সংগঠনে গা কৰি উঠে।

ফলত অসমীয়া সমাজ জীৱনত এক নতুন সমস্যাই মূৰ দাঙি উঠে। যাৰ ফলত সমাজ জীৱন অধিক অশান্ত হয়। ইয়াৰ উপৰি ৰাছিয়াৰ নৈৰাজ্যবাদী সংঘীয় সমাজতন্ত্রীসকলৰ কর্মফল স্বৰূপে শ্রমিকৰ বৈপ্লৱিক সক্রিয় প্রতিভাৰ নিধন আৰু পতনে অসমীয়া বহুতো লোকক হতাশ কৰাৰ চিত্র উত্তৰ ৰামধেনু যুগৰ চুটিগল্পত চিত্রিত হৈছে। তদুপৰি ইউৰোপিয়ানাইজত হাত উজান দিয়া দ্বিতীয় আৰু তৃতীয় বিশ্বৰ দুখীয়া জনজাতি কৃষক আৰু বনুৱা, নিবনুৱা আৰু তথাকথিত বিকশিত উদ্যোগৰ শ্রমিক সকলো উত্তৰ ৰামধেনু যুগৰ গল্পৰ উপজীব্য স্বৰূপ হয়। এইসমূহৰ লগতে 1979 চনৰ বিদেশী বহিষ্কাৰ আন্দোলন, অবৈধ বিদেশী নাগৰিক বহিষ্কাৰ আন্দোলন, উগ্রপন্থী সংগঠনৰ জন্ম আৰু আন্দোলনৰ সৈতে জড়িত হোৱা শশ যুৱক-যুৱতীয়ে আলফালৈ ঢাপলি মেলাত সমাজ জীৱনে ভয়াৱহ ৰূপ ধাৰণ কৰিলে। মুঠতে উত্তৰ ৰামধেনুৰ সাহিত্য সমাজৰ ভয়াৱহ আৰু শোচনীয় অৱস্থাৰ জীৱন্ত দলিল বুলিব পাৰি। মুঠতে বস্তুবাদী আৰু ভোগবাদী শ্রেণীৰ অভ্যুত্থানৰ বাবে সমাজ জীৱনলৈ নামি অহা শোচনীয় অৱস্থাৰ নির্মূলৰ অর্থে চুটিগল্পত লেখকসকলে মার্ক্সৰ শোষণ মুক্তিৰ জয়গান গাবলৈ ধৰিলে। মার্ক্সীয় চেতনাৰে ৰচনা কৰা গল্পবোৰত পুঁজিপতিৰ বিপক্ষে প্রতিবাদমুখী ভাবনাৰ প্রকাশ ঘটালে। সমাজখনত গা কৰি উঠা নিবনুৱা সমস্যা আৰু ভণ্ড মন্ত্রী, এম-এল-এ তথা অন্যান্য ৰাজনৈতিক নেতাক অৰুণ গোস্বামীয়ে কটু সমালোচনা আৰু ব্যঙ্গ কৰি তেনে চৰিত্রৰ প্রকৃত স্বৰূপ উদঙাই দেখুৱাইছে। অৰুণ গোস্বামীৰ 'কুকুৰ পুলিচ' আৰু 'তেওঁলোকক জগাই দিয়ক'; অভিজিত শর্মা বৰুৱাৰ 'কক্ষচ্যুত'; অর্পণ শইকীয়াৰ 'প্রতিচ্ছবি'; উদয়াদিত্য ভৰালীৰ 'ধলফাঁট' আৰু 'দুমুখীয়া শুভঙ্কৰী' আদিত শোষকৰ শ্রেণীদ্বন্দ্ব, ৰাজনৈতিক নেতাৰ ভণ্ড চৰিত্র, মুক্তিপ্রয়াসী মনৰ চিত্রণ দেখিবলৈ পোৱা যায়।

ভোগবাদী তথা পুঁজিবাদী সমাজ ব্যৱস্থাই সমাজত তিনি শ্রেণীৰ মানুহৰ সৃষ্টি কৰিলে। মালিক, শ্রমিক আৰু মধ্যবিত্ত শ্রেণী। এই তিনি শ্রেণীৰ সংঘাত উত্তৰ ৰামধেনুৰ গল্পত মূল উপজীব্য হৈ ধৰা দিলে। পুঁজিবাদৰ ফলত মানুহৰ সহজলভ্য ধনৰ প্রতি আসক্তি বৃদ্ধি পালে। বিনাদ্বিধাই মানুহে অপকর্ম কৰিবলৈ আগবাঢ়ি যাব পৰা হ'ল। এই ধৰণৰ অৰাজকতাই সমাজ সচেতন গল্পকাৰসকলক চিন্তিত কৰি তুলিলে। তেওঁলোকে এই ধৰণৰ অনুভূতিবোৰ গল্পৰ জৰিয়তে প্রকাশ কৰিবলৈ উদ্যত হ'ল। লগতে গল্পকাৰসকলে সমাজৰ এই দিশটোকো অনুধাৱন কৰিলে যে পুঁজিবাদে জন্ম দিয়া অর্থনৈতিক শোষণ তথা শ্রেণী বৈষম্যই এক শ্রেণীৰ মানুহকে কেৱল জুৰুলা কৰি উৎপীড়ন চলোৱা নাই; মানৱতা তথা নৈতিক মূল্যবোধবোৰো মৃত্যু ঘটাইছে। গল্পকাৰসকলে এই বিষয়সমূহক উত্তৰ ৰামধেনুৰ চুটিগল্পত অনন্য ৰূপত উপস্থাপন কৰিছে।

৪.৫.২ উত্তৰ ৰামধেনু যুগৰ চুটিগল্পত মনোঃ বিশ্লেষণধর্মিতা

উত্তৰ ৰামধেনু যুগৰ চুটিগল্পই নতুন নতুন প্রভাৰ আৰু লক্ষণৰে বিকাশ লাভ

কৰিবলৈ ধৰিলে।পুঁজিবাদী সমাজ ব্যৱস্থাই সমাজৰ আন্তঃগাঁথনিতো কুঠাৰাঘাত কৰিলে। ফলত এচামৰ মনত তীব্ৰ বিৰক্তিবোধ জন্মিলে আৰু চেতনাবোধৰো পৰিৱৰ্তন হ'বলৈ ধৰিলে। নৈতিকতাৰ অৱক্ষয়ত উত্তৰৰামধেনুৰ গল্পত মানুহবোৰজনসমুদ্ৰৰ মাজত থাকিও আন্তৰিকতাহীন এখন অচিনাকি পৃথিৱীত পৰস্পৰেপৰস্পৰৰপৰা মানসিকভাৱে সম্পূৰ্ণ বিচ্ছিন্ন হৈ পৰিছে। সকলো যেন একোটা যন্ত্ৰলৈহে পৰিৱৰ্তন হৈছে। এই যুগৰ সচেতন গল্পকাৰসকলৰ ৰচনাত নিঃসঙ্গতা কেন্দ্ৰীয় ভাব ৰূপে গল্পৰ মাজত প্ৰতিফলিত হৈছে। সমস্যাবহুল বাস্তৱতাই সৃষ্টি কৰা যন্ত্ৰণাই জীৱনলৈ নমাই আনে নিৰৰ্থকতা। এই নিৰৰ্থকতাৰ পৰা অন্তহীন পলায়নৰ বাট বিচাৰি ফুৰে এই সময়ছোৱাৰ লেখকসকলে। এচাম মানুহৰ মানসিকতাই মানৱ জাতিলৈ মাতি আনে অস্তিত্বৰ সঙ্কট। এই ধৰণৰ ব্যক্তি তথা সমাজৰ দাস হৈ সামাজিক দায়বদ্ধতাক অস্বীকাৰ কৰা উত্তৰ ৰামধেনুৰ গল্পকাৰসকলে ৰচনা সম্ভাৰৰ যোগেদি নিজৰ ক্ষোভ প্ৰকাশ কৰে। তদুপৰি তেনে মানসিকতাই পোষকসকলৰ প্ৰতি সহৃদয়তাও প্ৰকাশ কৰিছে। জাৰ্মান দাৰ্শনিক নীৎছেই স্বাধীন মানুহৰ নিঃসঙ্গতা ধাৰণাৰ বিষয়ে উল্লেখ কৰিছে। স্বাধীনভাৱে জীয়াই থকা প্ৰতিজন মানুহেই একোটা নিৰ্জন দ্বীপ, যি এটা আনটোৰ পৰা পৃথক। সেইদৰে লৰেন্সৰ গল্পতো নিঃসঙ্গ ব্যক্তিসত্তাৰ প্ৰকাশ দেখিবলৈ পোৱা যায়। উল্লেখ্য যে প্ৰতিজন অন্তৰ্মুখী চিন্তাৰ মানুহেই নিঃসঙ্গ অনুভৱসিক্ত। মানুহৰ জীৱনৰ যন্ত্ৰণাৰ পৰা সৃষ্টি হয় নিঃসঙ্গ চেতনা। পুঁজিবাদে সৃষ্টি কৰা হতাশাগ্ৰস্ততাই এচাম মানুহক ব্যক্তি সত্তা সম্পৰ্কে নকৈ ভবাই তুলিছিল। সমাজৰ অবৰ্ণনীয় বৈষম্য, শোষণ তথা ভোগবাদী মানসিকতাই সৃষ্টি কৰা অনুভূতিশূন্য মানুহৰ আচৰণ দেখি সমাজৰ সচেতন মহলৰ হৃদয়ত চৰণ হতাশা আৰু দুখবোধে ক্ৰিয়া কৰিবলৈ ধৰিলে আৰু নিজৰ অনুভূতি প্ৰকাশৰ বাবে তেওঁলোকে গল্প ৰচনাত ব্ৰতী হৈছে। অভিজিত শৰ্মা বৰুৱাৰ 'এজন দুখী মানুহৰ আত্মকথা'; কমলা বৰগোহাঁইৰ 'বিষণ্ণ সন্ধিয়া'; জ্যোতিষ শিকদাৰৰ 'অভিশপ্ত' আৰু 'অখ্যাত লোকৰ আত্মজীৱনী' আদি গল্পত নিঃসঙ্গ চেতনা আৰু অন্তৰ্মুখী জীৱন চিত্ৰণ দেখিবলৈ পোৱা যায়।

এই সময়ৰ গল্পকাৰসকলৰ অন্তৰ্জগতত হেন্দোলনি তোলা ভাব-চিন্তাৰ বহিৰ্প্ৰকাশ ঘটিছে তেওঁলোকৰ সৃষ্টি-সম্ভাৰৰ যোগেদি। তদুপৰি ৰামধেনুত মূৰ দাঙি উঠালৈ অস্তিত্ববাদ, বাস্তৱবাদ, প্ৰকৃতিবাদ আৰু চেতনাস্ৰোত ধাৰাৰ এই সময়ৰ ৰচনাত পূৰ্ণতা প্ৰাপ্তি হয়। সমকাল চেতনাই দায়বদ্ধ গল্পকাৰসকলৰ হৃদয়ত খলকনি তুলিলে। বস্তুবাদী সমাজখন বিৰূপ চিত্ৰখনে সৃষ্টি কৰা ক্ষোভ তথা ভাৱনাই তেওঁলোকক সমাজ তথা ব্যক্তিজীৱন সম্পৰ্কে নকৈ ভবাই তুলিলে। তেওঁলোকৰ বাবে সময় তথা কাল সম্বন্ধীয় কথাবোৰৰ বিশেষত্ব তথা গুৰুত্ব হ্ৰাস পালে। তদুপৰি কেৱল বিষয়বস্তুৱেই নহয় অথবা ৰচনা কৌশলেই নহয় গল্পৰ উপস্থাপন শৈলীৰ ক্ষেত্ৰতো অভিনৱত্বই দেখা দিলে। আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিৰ ন-ন আৱিষ্কাৰে এই সময়ৰ সাহিত্যৰ ক্ষেত্ৰখন

পৰোক্ষভাৱে স্পর্শ কৰিলে। তদুপৰি ৰামধেনুত প্রকাশ লাভ কৰা চেতনাস্রোত পদ্ধতিৰ বহুল প্রয়োগ এই সময়ৰ গল্পত পৰিলক্ষিত হ'বলৈ ধৰে। অস্থিৰ সামাজিক তথা ৰাজনৈতিক আৰু অর্থনৈতিক অৱস্থাই থকা-সৰকা কৰা এই সময়ৰ গল্পকাৰসকলৰ মন-মগজুত সমাজ জীৱনৰ কদর্যতাই কিছু বিৰূপ প্রতিক্রিয়া কৰিছিল। ফলস্বৰূপে তেওঁলোকৰ মনত কেতবোৰ অন্তর্মুখী চিন্তা-চেতনাৰ উন্মেষ ঘটাৰ সমান্তৰালকৈ অস্তিত্ব ৰক্ষাৰ প্রতিও সচেতনতা প্রকাশ পালে। সঙ্কটাপূর্ণ সমাজ ব্যৱস্থাত ব্যক্তি সত্তাৰ অস্তিত্ব ৰক্ষাৰ অর্থে কেতবোৰ বহুমাত্রিক চিন্তাই গল্পকাৰসকলৰ মনোজগত আচ্ছন্ন কৰি ৰখাৰ প্রকাশ সমকালীন চটিগল্পৰ মাজত দেখিবলৈ পোৱা যায়। এই যুগৰ প্রথিতযশা গল্পকাৰ মনোজ কুমাৰ গোস্বামীৰ ৰচনাত এই চেতনাস্রোতধর্মিতাৰ প্রকাশ বিদ্যমান। ফ্রয়েডীয় চেতনা সমৃদ্ধ গোস্বামীৰ গল্পৰ চৰিত্রৰ মাজত অৱচেতন মনোজগতৰ বিশ্লেষণ পোৱা যায়। তেওঁৰ গল্পৰ চৰিত্রই এক নষ্টালজিকতাৰ মাজেদি অন্তর্লীন জগতত ভুমুকি মাৰে। তেওঁৰ 'প্রতিবিম্বৰ জীৱন' শীর্ষক গল্পটিত মানৱ জীৱনৰ সৈতে সম্পৃক্ত জীৱন-বৃত্তৰ তত্ত্ব পোৱা যায়। ইয়াৰ উপৰি অর্পণ শইকীয়াৰ 'অজ্যামিতিক' আৰু 'এতিয়া' গল্পত সময় চেতনাৰে জীৱনৰ সত্যানুসন্ধান সম্পর্কে প্রকাশ ঘটিছে। ইয়াৰ উপৰি কুল শইকীয়াৰ ৰচনাতো এনে পদ্ধতিৰ সুপ্রয়োগ লক্ষ্য কৰা যায়।

৪.৫.৩ ঐতিহ্য-সংস্কৃতি ৰক্ষাৰ প্রৱণতা

পুঁজিবাদৰ আগ্রাসনত অসমৰ সমাজ ব্যৱস্থাৰ ভেঁটি সোলোক-ঢোলোক হোৱাৰ লগতে ইয়াৰ কু-প্রভাৱ স্বৰূপে নতুন প্রজন্মৰ একাংশই কেতবোৰ সনাতনী মূল্যবোধ বিসর্জন দি জীৱনত ভোগৰ প্রতিহে লালায়িত হৈছে। ইয়াৰ উপৰি পাশ্চাত্য সংস্কৃতিৰ প্রতি অত্যাধিক আসক্তিয়ে দেশীয় সংস্কৃতিৰ প্রতি ভাবুকি সৃষ্টি কৰিছে। নৱ প্রজন্মই মূলৰ লগত সঙ্গতিহীন বিজতৰীয়া নীতি-আচাৰৰ প্রতি আকর্ষিত হৈছে। ফলস্বৰূপে এনে ধৰণৰ অপসংস্কৃতিয়ে সমাজত উচ্ছৃঙ্খলতাৰ সৃষ্টি কৰিছে। এনে ধৰণৰ সামাজিক অৱনতিয়ে এচামৰ মনত বিতৃষ্ণা আৰু বেদনাৰ সৃষ্টি কৰিছে। সেই বেদনাই তেওঁলোকৰ সাহিত্যত স্থান লাভ কৰিছে। গল্পকাৰসকলে সমাজৰ শান্তি-শৃঙ্খলা বজাই ৰখাৰ উদ্দেশ্যে গল্পত বিভিন্ন লোক-অনুষ্ঠান, ৰীতি তথা অসমীয়া সমাজৰ চিত্র অংকনৰ প্রয়াস কৰিছে।

সমাজখনলৈ ক্রমান্বয়ে নব্য আধুনিকতাৰ নামত আমদানি ঘটা পাশ্চাত্য কলা-সংস্কৃতিয়ে অসমৰ সাতামপুৰুষীয়া সংস্কৃতিলৈ সঙ্কট মাতি আনিছে। উল্লেখ্য যে পুঁজিবাদে সৃষ্টি কৰা মুক্ত অর্থনীতিৰ সৈতে অসমীয়া সমাজ জীৱন সম্পূর্ণ অচিনাকি। তথা উগ্রজাতীয়তাবাদৰ পৰা জন্ম লাভ কৰা ৰাজনৈতিক অস্থিৰতাৰ সৈতেও অসমীয়া সমাজ জীৱন অপৰিচিত। ফলত এই দুই ধৰণৰ কাৰকে অসমীয়া জনসমাজলৈ মানসিক তথা অস্তিত্ব আৰু পৰিচয়ৰ সঙ্কট মাতি আনিলে।তদুপৰি পুঁজিবাদে গঢ় দিয়া মানসিকতাৰ বাবেই এচামে সহজলভ্য ধনৰ প্রতি আকর্ষিত হৈছে। আনহে নালাগে পাশ্চাত্য সংস্কৃতি

আৰু উত্তৰ আধুনিকতাই পৰম্পৰা আৰু ব্যক্তি আদৰ্শৰ প্ৰতিও সঙ্কট মাতি আনিছে। সমাজৰ অস্থিৰ তথা দুৰ্বল অৱস্থাৰ সুযোগ লৈ জন্ম লাভ কৰিবলৈ ধৰিছে অন্য এক সংস্কৃতিৰ, যি সংস্কৃতিৰ ভেঁটিয়ে গঢ় দিছে এক বিকল্প জীৱনশৈলীৰ। এনে সংস্কৃতিৰ আধাৰত ব্যক্তি এতিয়া বজাৰৰ পণ্য সামগ্ৰীলৈ ৰূপান্তৰিত হোৱাৰ উপক্ৰম হৈছে। ক্ৰমশঃ মানৱীয় প্ৰমূল্য নিঃশেষ হ'বলৈ ধৰিছে। উত্তৰ আধুনিকতা আৰু গোলকীয়কৰণৰ মেৰপেচত সাহিত্য তথা সংস্কৃতিও পূৰ্বৰ নীতি-আদৰ্শৰ পৰা বিচলিত হ'ল। এই সমূহ অৱস্থাৰ নীৰৱ দৰ্শক হৈ থকাৰ বিপৰীতে উত্তৰ ৰামধেনু যুগৰ অসমীয়া গল্প-সাহিত্যত ঐতিহ্য-পৰম্পৰা ৰক্ষাৰ এক প্ৰয়াস গল্পকাৰসকলে আৰম্ভ কৰিলে। অসমীয়া সংস্কৃতি তথা পৰম্পৰাক স্মৃতিৰ গৰাহলৈ ঠেলি দিয়াৰ বিপৰীতে অধিক সুসজ্জিত আৰু সজীৱ আয়তন প্ৰদানৰ উদ্দেশ্যে এই সময়ৰ গল্পকাৰ মনোৰমা দাস মেধিৰ গল্পত অসমৰ লোক-শিল্প সম্পদ উপাদান ৰূপে ব্যৱহৃত হোৱা দেখা যায়। ইয়াৰোপৰি শিৱানন্দ কাকতিকে আদি কৰি বহুকেইজন গল্পকাৰৰ ৰচনাত অসমৰ গাঁৱলীয়া সমাজখনৰ আচাৰ-নীতি, পৰিৱেশ, কথনভঙ্গী আদিৰ সুন্দৰ প্ৰয়োগ লক্ষ্য কৰা যায়।

৪.৫.৪ এবছাৰ্ড দৰ্শনৰ প্ৰয়োগ

উত্তৰ আধুনিকতাৰ আগমনৰ লগতে পাশ্চাত্য মতাদৰ্শ তথা ধ্যান-ধাৰণায়ো সাহিত্যত পৰিপক্ক ৰূপত প্ৰয়োগ হ'বলৈ ধৰে। ৰামধেনু যুগত পাশ্চাত্য মতাদৰ্শসমূহৰ বহুকেইটা মতাদৰ্শৰ সুপ্ৰয়োগ ঘটিছিল যদিও উত্তৰ ৰামধেনুত এক নতুন ধাৰণাৰ চুটিগল্প ক্ষেত্ৰখনলৈ আগমন ঘটে। 1961 চনত পোন প্ৰথমবাৰৰ বাবে 'এবছাৰ্ড' শব্দটোৰ প্ৰয়োগ হয়। আলবেয়াৰ কেম্যুৱে প্ৰথমে এই এবছাৰ্ডৰ ধাৰণাটো সাহিত্যলৈ আনে। উল্লেখ্য যে এই এবছাৰ্ড সাহিত্য ধাৰণাটো বহুবোৰ negative কাৰণত সৃষ্টি হৈছে। এই এবছাৰ্ডধৰ্মী সাহিত্যত বহু সময়ত নীৰৱতাৰ স্থানো অতি গুৰুত্বপূৰ্ণ। পুঁজিবাদ, বস্তুবাদী সমাজ, ৰাজনৈতিক অস্থিৰতা, সামাজিক শোচনীয় অৱস্থাৰ বাবে উত্তৰ ৰামধেনু যুগৰ সাহিত্যত এক হতাশাগ্ৰস্ততা তথা বিষাদবোধৰ আৱেশেৰে সুসজ্জিত পৰিৱেশৰ বৰ্ণনা পোৱা যায়। তদুপৰি মানুহৰ মনলৈ কঢ়িয়াই অনা অস্তিত্বৰ সঙ্কট তথা শোষণৰ দুখবহ অৱস্থা আৰু জীৱনৰ সঙ্কটে মানুহৰ মনবোৰ অশান্ত আৰু হতাশ কৰি তোলাৰ সমান্তৰালকৈ মানুহক যন্ত্ৰণাময় জীৱনটো অৰ্থহীন বুলি ভবাৰ থল দিয়ে। এনেবোৰ কাৰকৰ ফলতে সাহিত্যত এবছাৰ্ড ধাৰণাৰ প্ৰয়োগ পৰিলক্ষিত হয়। যন্ত্ৰণা, বিষাদগ্ৰস্ততা, হতাশাই গল্পকাৰসকল মন-মগজু আৱৰি ৰাখিবলৈ ধৰিলে। গল্পত যুক্তিহীন, অৰ্থহীন ঘটনাৰ সংযোগ কৰা দেখিবলৈ পোৱা যায়। তদুপৰি এই ধৰণৰ ধাৰণা প্ৰয়োগেৰে ৰচিত গল্পসমূহত উদ্দেশ্যহীনতা, নিঃসঙ্গতা, নীৰৱতা আদিবোৰ প্ৰযোজ্য হৈছে। তদুপৰি গল্পকাৰসকলে জীৱনৰ উদ্দেশ্যহীনতাকে আদি কৰি ঋণাত্মক দিশবোৰ ব্যঙ্গাত্মক সুৰত উপস্থাপন কৰি সমাজৰ নিখুঁত প্ৰতিচ্ছবিখন তুলি ধৰিবলৈ চেষ্টা কৰিছে। এই ধাৰণা

প্ৰয়োগৰ যোগেদি গল্পকাৰসকলে জীৱন তথা সমাজখন পৰিস্থিতিসমূহক অতি কৰুণভাৱে পৰ্যবেক্ষণ কৰি কথা-সাহিত্যত উপস্থাপন কৰিছে। অসমীয়া গল্প-সাহিত্যত এবছার্ড ধাৰণা প্ৰয়োগৰ ক্ষেত্ৰত মনোজ কুমাৰ গোস্বামীৰ নাম ল'ব পাৰি। হৃদয়ানন্দ গগৈৰ ভাষাৰ "পৰম্পৰাগত সমাজ ব্যৱস্থাত যি বিচ্ছিন্নতাবোধ, সেই বিচ্ছিন্নতাবোধৰ পৰা জন্মা যি বিৰহ-বেদনা, অতীতৰ সৈতে সংলগ্নহীনতাৰ যি চেতনা— এই আটাইবোৰ তেওঁৰ চৰিত্ৰবোৰে আহৰণ কৰিছে।"



চিন্তা-চৰ্চা কৰক - ৪.১

অসমীয়া ভাষাত পাশ্চাত্য সাহিত্যৰ প্ৰভাৰ সম্বন্ধে প্ৰকাশ পোৱা আলোচনামূলক পুথিৰ আধাৰত এবছার্ড আৰু চেতনাস্ৰোতধৰ্মী ৰচনা সম্পৰ্কে বিস্তৃত আলোচনা কৰক।



অগ্ৰগতি নিৰীক্ষণ

১ নং প্ৰশ্ন ঃ উত্তৰ ৰামধেনু যুগৰ উল্লেখযোগ্য গল্পকাৰকেইজনৰ পৰিচয় আৰু গল্প কৃতি সম্পৰ্কে চমু পৰিচয় দিয়ক।
[150 টা শব্দৰ ভিতৰত)

২ নং প্ৰশ্ন ঃ উত্তৰ ৰামধেনু যুগৰ চুটিগল্পত প্ৰতিফলিত হোৱা ধাৰাসমূহৰ বিষয়ে বিস্তৃত আলোচনা আগবঢ়াওক। [250 টা শব্দৰ ভিতৰত)



৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টি অধ্যয়নৰ যোগেদি আমি অসমীয়া সাহিত্যৰ ৰামধেনু যুগৰ পৰৱৰ্তী কালছোৱা উত্তৰ ৰামধেনু যুগৰ চুটিগল্পৰ প্ৰসাৰ তথা বিকাশ সম্বন্ধে এটি ধাৰণা লাভ কৰিলোঁ।
- এই অধ্যায়টিৰ পৰ্যায়ক্ৰমে আলোচনাৰ যোগেদি উত্তৰ ৰামধেনু যুগৰ পটভূমি সম্বন্ধে সম্যক পৰিচয় আহৰণ কৰিলোঁ।
- এই অধ্যায়টিৰ মাজেদি উত্তৰ ৰামধেনু যুগৰ অসমীয়া সমাজ জীৱনৰ লগতে ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক জগতখনৰ সমসাময়িক চিত্ৰণ সম্পৰ্কে ধাৰণা লাভ কৰিব পাৰিলোঁ।
- এই অধ্যায়টিৰ যোগেদি অসমীয়া চুটিগল্পৰ 1970ৰ পৰা 1990 লৈকে এই সময়খিনিত ৰচিত গল্পসমূহত উজলি উঠা ধাৰাসমূহৰ লগতে এই ধাৰাসমূহৰ যোগেদি উত্তৰ ৰামধেনু

যুগৰ চুটিগল্পৰ বিৱৰ্তন তথা পৰিপক্কতা লাভৰ সামগ্ৰিক ধাৰণা লাভ কৰিলোঁ।

- এই যুগৰ জ্যেষ্ঠ গল্পকাৰ শীলভদ্ৰৰ পৰা আৰম্ভ কৰি অৰুণ গোস্বামী, দেৱব্ৰত দাস, মনোজ কুমাৰ গোস্বামী আৰু বিংশ শতিকাৰ প্ৰফুল্ল চন্দ্ৰ বৰুৱা, হিৰণ্য কাশ্যপ আদি সাহিত্যিকৰ সম্যক পৰিচয় সম্পৰ্কে ধাৰণা লাভ কৰিলোঁ।
- এই আলোচনাৰ যোগেদি আমি উত্তৰ ৰামধেনু যুগৰ চুটিগল্পত সংযোগ ঘটা ন-ন কলা-কৌশল, মতাদৰ্শন তথা ধাৰণা সম্পৰ্কে আভাস লাভ কৰিলোঁ।



৪.৭ অধিক জানিবলৈ

1] গগৈ, লীলা (সম্পা.) [2002] ঃ *আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়*; গুৱাহাটী ঃ বনলতা।

2] গগৈ, হৃদয়ানন্দ (সম্পা.) [1999] ঃ *ৰামধেনুৰ শ্ৰেষ্ঠ গল্প*; গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

3] গগৈ, হৃদয়ানন্দ (সম্পা.) [1999] ঃ *উত্তৰ ৰামধেনু যুগৰ নিৰ্বাচিত গল্প*; গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

4] গোস্বামী, ত্ৰৈলোক্যনাথ [2006] ঃ *আধুনিক অসমীয়া গল্প সাহিত্য*; গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

5] নেওগ, মহেশ্বৰ (2000] ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

6] বৰগোহাঞি, হোমেন (সম্পা.) (2004] ঃ *অসমীয়া গল্প সঙ্কলন* (1ম খণ্ড); গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

7] বৰা ফুকন, ৰুণমণি (2017] ঃ *হোমেন বৰগোহাঞিৰ চুটিগল্প*; গুৱাহাটী ঃ জাগৰণ সাহিত্য প্ৰকাশন।

8] বৰুৱা, প্ৰহ্লাদ কুমাৰ (2005] ঃ *অসমীয়া চুটিগল্পৰ অধ্যয়ন*; গুৱাহাটী ঃ বনলতা।

9] ভট্টাচাৰ্য্য, পৰাগ কুমাৰ [1993] ঃ *গল্পৰ প্ৰসঙ্গ আৰু অসমীয়া গল্প-সাহিত্য*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

10] ভট্টাচাৰ্য্য, বসন্ত কুমাৰ (2008] ঃ *অসমীয়া চুটিগল্পৰ সুবাস*; নলবাৰী ঃ জাৰ্ণাল এম্প'ৰিয়াম।

11] শইকীয়া বৰা, লীলাৱতী (সম্পা.) [2003] ঃ *অসমীয়া চুটিগল্পৰ প্ৰৰাহ*; গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

12] শৰ্মা, সত্যেন্দ্ৰনাথ [2006] ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*; গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

৪.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ উত্তৰ ৰামধেনু যুগৰ চমু পৰিচয়... ...উল্লেখযোগ্য গল্পকাৰসকল... ...শীলভদ্র, অৰুণ গোস্বামী, বিপুল খাটনিয়াৰ, দেৱব্রত দাস, অৰূপা পটংগীয়া কলিতা আদি প্রতিভাশালী গল্পকাৰৰ লগতে গল্প সম্পর্কে পৰিচয়।

২ নং প্রশ্নৰ উত্তৰ ঃ উত্তৰ ৰামধেনু যুগৰ পটভূমি সম্বন্ধে চমু পৰিচয়... ...উত্তৰ ৰামধেনু যুগৰ গল্পৰ ধাৰাসমূহ (এই আলোচনাত উত্তৰ ৰামধেনু যুগৰ প্রয়োজন সাপেক্ষে গল্পকাৰসমূহৰ নাম আৰু গল্পবোৰৰ নাম উল্লেখ কৰি আলোচনা কৰিব লাগিব)।

৪.৯ আৰ্হিপ্রশ্ন

প্রশ্ন ১ ঃ উত্তৰ ৰামধেনু যুগৰূপে অসমীয়া চুটিগল্পৰ ইতিহাসত সমালোচকসকলে কোনখিনি সময়লৈ আঙুলিয়াইছে?

প্রশ্ন ২ ঃ উত্তৰ ৰামধেনু যুগৰ পটভূমি সম্পর্কে বিস্তৃত আলোচনা আগবঢ়াওক।

প্রশ্ন ৩ ঃ উত্তৰ ৰামধেনু যুগৰ চুটিগল্পত প্রতিফলিত হোৱা সামাজিক, ৰাজনৈতিক আৰু অর্থনৈতিক দিশৰ কোনবোৰ কাৰকে অৰিহণা আগবঢ়াইছে বহলাই লিখক।

প্রশ্ন ৪ ঃ উত্তৰ ৰামধেনু যুগৰ চুটিগল্পত সংযোগ ঘটা এটি নৱতম পাশ্চাত্য ধাৰণা সম্পর্কে এটি প্রবন্ধ যুগুত কৰক।

প্রশ্ন ৫ ঃ উত্তৰ ৰামধেনু যুগৰ চুটিগল্পৰ ধাৰাসমূহ সম্পর্কে এটি বিশ্লেষণাত্মক আলোচনা আগবঢ়াওক।

প্রশ্ন ৬ ঃ "পাশ্চাত্য সংস্কৃতিৰ প্রতি অত্যধিক আসক্তিয়ে দেশীয় সংস্কৃতিৰ প্রতি ভাবুকি সৃষ্টি কৰিছে" —কথাষাৰৰ মর্মার্থ বহলাই আলোচনা কৰক।

প্রশ্ন ৭ ঃ দুগৰাকী গল্পকাৰৰ সাহিত্যকৃতিৰ যোগেদি উত্তৰ ৰামধেনু যুগৰ অসমীয়া চুটিগল্পৰ বৈশিষ্ট্য আলোচনা কৰক।

প্রশ্ন ৮ ঃ উত্তৰ ৰামধেনু যুগৰ চুটিগল্পত প্রকাশ হোৱা মার্ক্সবাদী চেতনা সম্বন্ধে এটি প্রবন্ধ প্রস্তুত কৰক।

*** ***** ***